**2022**

# ASSAMESE

Paper : ASM–HC–6016

( অসমীয়া চুটিগল্প আৰু উপন্যাস )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Created by Hemchandra Mili

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি ?

(খ) Brander Matthews য়ে উল্লেখ কৰা "Unity of impression" কথাষাৰে অসমীয়াত কি বুজায় ?

(গ) ড০ সূৰ্যকুমাৰ ভূঞাই ৰচনা কৰা এটা গল্পৰ নাম লিখা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে আন কেবাজনো গল্পকাৰে প্ৰাৰম্ভিক কালৰ অসমীয়া চুটিগল্পক সমৃদ্ধ কৰিছিল। তেনে এজন গল্পকাৰৰ নাম লিখা।

(ঙ) বীণা বৰুৱাৰ এখন গল্পপুথিৰ নাম লিখা।

(চ) অসমীয়া চুটিগল্পৰ ক্ৰমবিৱৰ্তনত 'কেৰাণীৰ কপাল' গল্পটোৰ এক বিশিষ্ট স্থান আছে। গল্পটোৰ ৰচকজনৰ নাম কি?

(ছ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত মালতীক কোনে ঘৰবাৰী এৰি পলাই যাবলৈ কৈছিল?

(জ) পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' কিমান খ্ৰীষ্টাব্দত প্ৰকাশিত হৈছিল?

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদ্মকুমাৰী' কোনখন কাকতত প্ৰথমে প্ৰকাশিত হৈছিল?

(ঞ) ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাসখনৰ নাম কি?

(ট) 'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যই কিমান চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল?

(ঠ) চাহ বাগানৰ পটভূমিত ৰচিত এখন অসমীয়া উপন্যাসৰ নাম লিখা।

(ড) 'অসীমত যাৰ হেৰাল সীমা' উপন্যাসখন কাৰ ৰচনা?

(ঢ) বড়ো বীৰংগনা থেংফাগ্ৰীৰ জীৱনৰ ওপৰত ভিত্তি কৰি লিখা মামণি ৰয়চম গোস্বামীৰ উপন্যাসখনৰ নাম কি?

(ণ) 'ধন্য নৰ তনু ভাল' উপন্যাসখন কাৰ জীৱনৰ আধাৰত ৰচিত?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লক্ষ্মীধৰ শৰ্মাৰ এটা গল্পৰ আধাৰত একে নামেৰে এখন নাটক ৰচনা কৰা হৈছিল। গল্পটোৰ নাম আৰু নাট্যকাৰজনৰ নাম লিখা।

(খ) গ্ৰাম্য জীৱনৰ ছৱি ফুটি উঠা হোমেন বৰগোহাঞিৰ দুটা গল্পৰ নাম লিখা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত 'আৱাহন' কাকতৰ বিশেষ ভূমিকা আছে। 'আৱাহন'ত প্ৰকাশিত দুটা গল্পৰ নাম গল্পকাৰ দুজনৰ নামৰ সৈতে লিখা।

(ঘ) পূৰবী বৰমুদৈৰ গল্পৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) দিবাকৰ ভাগৱতীৰ নাম কিয় জোকৰাম ভাগৱতী হৈছিল?

(চ) সৰু গোসাঁনী কাৰ পত্নী আৰু কোন ঠাইৰ জীয়ৰী আছিল?

(ছ) "ইতিমধ্যে আফিঙৰ আইনখন সংশোধন কৰা হৈছে।" আইনখনৰ নাম কি? আইনখনৰ কোনটো দফাৰ পৰা এটা অংশ ভলন্টীয়াৰজনে ৰাইজক পঢ়ি শুনাইছিল?

(জ) 'হাওদা' কি?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) হোমেন বৰগোহাঞিৰ গল্পত মূল্যবোধৰ দ্বন্দ্ব কেনেদৰে প্ৰকাশ পাইছে তেওঁৰ যি কোনো এটা গল্পৰ আধাৰত লিখা।

(খ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটিত মালতীয়ে কেঁচুৰাটোৰ মুখত কি কি দেখিছিল?

(গ) যোগেশ দাসৰ 'বৰদেউতা' গল্পত সমাজৰ প্ৰহৰী ৰূপত ৰমেশৰ চৰিত্ৰটোৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।

(ঘ) অসমীয়া জীৱনীমূলক উপন্যাস সম্পৰ্কে চমুকৈ লিখা।

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত থকা কানি খোলাৰ বিৱৰণ এটা দিয়া।

(চ) বগুৰাৰ লাতু গোসাঁইৰ বিষয়ে লিখা।

(ছ) গিৰিবালা চৰিত্ৰটোৰ মাজেৰে বৈধব্য জীৱনৰ যন্ত্ৰণা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(জ) "বাপু তহনাই ঠিকেই কৈছা, পিপাটোৰ ডিঙিক গেলি সেইদিনা তেল নুঠিল। তদুপৰি সিকিৰ জাগাত আজিকালি দুটা দুটা ছৰতীয়াহে ঠগিৰ লগত দিয়ে।" কথাষাৰ কোনে, কাক আৰু কি প্ৰসংগত কৈছিল?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) "জোনাকী যুগত কবিতাৰ যি জোৱাৰ উঠিছিল আৱাহন যুগত সেই জোৱাৰ উঠে গল্পৰ ক্ষেত্ৰত।" এই উক্তিৰ আধাৰত আৱাহন যুগৰ গল্প সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) 'স্বাজোত্তৰ কালৰ অসমীয়া উপন্যাস'ৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনৰ মাজেৰে ঔপন্যাসিকৰ জীৱন দৰ্শন কেনেদৰে ফুটি উঠিছে?

(ঘ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত আঞ্চলিক উপন্যাসৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত লোকভাষাৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(চ) অসমীয়া চুটিগল্পৰ বিকাশত বাতৰি-কাকত, আলোচনীৰ বৰঙণিৰ বিষয়ে আলোচনা কৰা।

(ছ) 'বৰদেউতা' গল্পৰ বৰদেউতাজনে সমাজৰ কেনে চৰিত্ৰৰ মানুহক প্ৰতিনিধিত্ব কৰিছে? মায়াৰ কথা শুনি তেওঁৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল, লিখা।

(জ) 'বৰদেউতা' গল্পৰ ৰমেশৰ চৰিত্ৰটোৰ মাজেৰে সমাজৰ শোষণকাৰী শ্ৰেণীৰ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(ঝ) লক্ষ্মীধৰ শৰ্মাই 'নীনা' গল্পত যিখন কল্পনাময় জগতৰ সৃষ্টি কৰিছে তাৰ বিৱৰণ দাঙি ধৰা।

(ঞ) 'ৰাজনীতি নুবুজা মানুহ' গল্পটোত ৰাজনীতিৰ মেৰপাকে সাধাৰণ মানুহৰ জীৱন জ্বলাই চাৰখাৰ কৰাৰ যি বিৱৰণ আছে সেয়া তোমাৰ নিজৰ বিশ্লেষণসহ লিখা।

★★★

# 2022

## ASSAMESE

Paper : ASM–HC–6026

( অসমীয়া লিপিৰ ইতিহাস )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কেনে ধৰণৰ লিপিক লেখন-কলাৰ প্ৰথম স্তৰ বুলি কোৱা হয়?

(খ) কি ধৰণৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয়?

(গ) উমাচল লিপিৰ সময় কি?

(ঘ) কায়থেলী লিপি কোনে ব্যৱহাৰ কৰিছিল?

(ঙ) *The Evolution of Assamese Script* নামৰ গ্ৰন্থৰ লেখক কোন?

(চ) 'প্ৰাচ্য শাসনাৱলী' নামৰ গ্ৰন্থৰ প্ৰণেতাগৰাকীৰ নাম লিখা।

(ছ) কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ ঘটা বুলি কোৱা এজন পণ্ডিতৰ নাম লিখা।

(জ) বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম লিখা।

(ঝ) প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল?

(ঞ) সম্পূৰ্ণ অসমীয়া আখৰত লিখিত বৰ্তমানলৈ উদ্ধাৰ হোৱা প্ৰাচীনতম লিপিখনৰ নাম কি?

(ট) ড০ বিৰিঞ্চিকুমাৰ বৰুৱাই ডবকাৰ ওচৰৰ এখন ঠাইৰ পৰা উদ্ধাৰ কৰা লিপিখনক কি নামেৰে জনা যায়?

(ঠ) তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

(ড) সাঁচিপাত গছৰ কোনটো অংশৰ পৰা প্ৰস্তুত কৰা হয়?

(ঢ) আহোম ৰজাসকলে পুথি লিখিবলৈ সৃষ্টি কৰা খেলটোৰ নাম কি?

(ণ) কোনজন পণ্ডিতে প্ৰাক্-গুপ্ত যুগত অসমত প্ৰবেশ কৰা ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ হোৱা বুলি প্ৰথমে মত দিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা গৈছিল?

(খ) ‘ব’ আৰু ‘ৰ’ আখৰৰ স্পষ্ট পাৰ্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাখিনি কি ভাষাত লিখা?

(গ) হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন ক’ৰ পৰা আৱিষ্কাৰ হৈছিল? এই তাম্ৰশাসনৰ পাঠ কোনে উদ্ধাৰ কৰিছিল?

(ঘ) অসমৰ বুৰঞ্জী পুথিবোৰত সাধাৰণতে পোৱা লিপি কি শৈলীৰ আছিল? এই শৈলীটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) ‘জাউ বা ঝাও দিয়া’ মানে কি?

(চ) ‘কুট দিয়া’ৰ অৰ্থ লিখা।

(ছ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ দুবিধ প্ৰাচীন লিপিৰ নাম লিখা।

(জ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভগোৱা হয়?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ চমু পৰিচয় দিয়া।

(খ) কুটিল লিপিৰ বিষয়ে এটা টোকা লিখা।

(গ) বামুণীয়া বা কায়থেলী লিপিৰ বিষয়ে চমুকৈ লিখা।

(ঘ) কানাই বৰশীবোৱা শিলালিপিৰ চমু পৰিচয় দিয়া।

(ঙ) উমাচল শিলালিপিৰ পৰিচয় দিয়া।

(চ) টোকা লিখা :

বনমালবৰ্মাৰ তেজপুৰ আৰু পৰ্বতীয়া তাম্ৰশাসন

(ছ) পূৰ্ব ভাৰতীয় লিপিমালাৰ বিষয়ে লিখা।

(জ) সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সম্পৰ্ক বিচাৰ কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

(খ) ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ আলোচনা কৰা।

(গ) অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰৰ চমু পৰিচয় দাঙি ধৰা।

(ঘ) প্ৰাচীন কামৰূপী লিপিৰ বিষয়ে আলোচনা কৰা।

(ঙ) পুৰণি অসমীয়া লিপিৰ তিনি শৈলীৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই আলোচনা কৰা।

(চ) আধুনিক অসমীয়া লিপিৰ বিষয়ে লিখা।

(ছ) সাঁচিপাত আৰু তুলাপাত প্ৰস্তুতকৰণৰ বিষয়ে লিখা।

(জ) মহী বা চিঞাহী প্ৰস্তুতকৰণ প্ৰণালীৰ বিৱৰণ দাঙি ধৰা।

(ঝ) কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

(ঞ) অসমীয়া লিপিৰ বিকাশত নগাজৰী খনিকৰ গাঁও শিলালিপিৰ গুৰুত্ব বিচাৰ কৰা।

★★★

## 2022

## ASSAMESE

Paper : ASM–HE–6016

**( Lakshminath Bezbaroa )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱিতকালত প্ৰকাশিত একমাত্ৰ কবিতাপুথিখনৰ নাম কি?

(খ) লক্ষ্মীনাথ বেজবৰুৱাই কোন চনত 'জোনাকী' আলোচনীৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিছিল?

(গ) বেজবৰুৱাৰ চুটিগল্প সংকলন 'সুৰভি' কোন চনত প্ৰকাশ হৈছিল?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাক 'সাহিত্যৰথী' উপাধি কোনে প্ৰদান কৰিছিল?

(ঙ) 'অসম সাহিত্য সভা'ৰ কোনখন অধিৱেশনত লক্ষ্মীনাথ বেজবৰুৱাই সভাপতিত্ব কৰিছিল?

(চ) কোনগৰাকী সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা 'অসম সাহিত্য সভা'ৰ অধিৱেশনত বেজবৰুৱাক 'ৰসৰাজ' উপাধি প্ৰদান কৰা হৈছিল?

(ছ) কাৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাই কাঠৰ ব্যৱসায়ত নামিছিল ?

(জ) ‘ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত’ গ্ৰন্থখনৰ ৰচক কোন ?

(ঝ) ‘মোৰ জীৱন সোঁৱৰণ’ গ্ৰন্থাকাৰে কেতিয়া প্ৰকাশ হৈছিল ?

(ঞ) কোনগৰাকী সাহিত্যিকে সংগ্ৰহ আৰু সম্পাদনা কৰি বেজবৰুৱাৰ ‘তত্ত্বকথা’ গ্ৰন্থাকাৰে প্ৰকাশ কৰিছিল ?

(ট) ‘কৃপাবৰ বৰুৱাৰ উইল’ শীৰ্ষক লঘু ৰচনা বেজবৰুৱাৰ কোনখন গ্ৰন্থৰ অন্তৰ্ভুক্ত ?

(ঠ) লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সংগৃহীত আৰু সংকলিত ‘বুঢ়ী আইৰ সাধু’ প্ৰথমে কোন চনত প্ৰকাশ হৈছিল ?

(ড) বেজবৰুৱাই ৰচনা কৰা এখন নাটকৰ নাম লিখা।

(ঢ) *Lakshminath Bezbaroa the Sahityarathi of Assam* নামৰ গ্ৰন্থখনৰ সম্পাদক কোন ?

(ণ) অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ৰচিত লক্ষ্মীনাথ বেজবৰুৱা-বিষয়ক গ্ৰন্থখনৰ নাম কি ?

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ‘কদমকলি’ত অন্তৰ্ভুক্ত ‘অ’ মোৰ আপোনাৰ দেশ’ জাতীয় সংগীতটো প্ৰথমে ‘মোৰ দেশ’ নামেৰে কোনখন আলোচনীত আৰু কাৰ নামত প্ৰকাশ হৈছিল ?

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণোত্তৰভাৱে প্ৰকাশিত কাব্যগ্ৰন্থখনৰ নাম কি আৰু পুথিখন কোন চনত প্ৰকাশ হৈছিল ?

(গ) ‘সুৰভি’ৰ বাহিৰে লক্ষ্মীনাথ বেজবৰুৱা বচিত অন্য দুখন গল্পপুথিৰ নাম লিখা।

(ঘ) 'জোনাকীৰ ত্ৰিমূৰ্ত্তি'ৰ এগৰাকী লক্ষ্মীনাথ বেজবৰুৱা। বাকী দুগৰাকী কোন?

(ঙ) 'মোৰ জীৱন সোঁৱৰণ'ত লিপিবদ্ধ বেজবৰুৱাৰ ৰবপেটাৰ দুটা স্মৃতি উল্লেখ কৰা।

(চ) বাপিৰাম আৰু সিধাই খাটনিয়াৰৰ সম্পৰ্ক কি? সিধাই খাটনিয়াৰৰ ঘৰ ক'ত আছিল?

(ছ) 'মোৰ জীৱন সোঁৱৰণ'ত লিখকে তেওঁৰ জন্ম কোন চনৰ, কোন মাহত হোৱা বুলি উল্লেখ কৰিছে?

(জ) কৃপাবৰ বৰুৱাই শেষ উইল কৰা সময়ত ইচ্ছাপত্ৰানুযায়ী কোন দুগৰাকী ব্যক্তিক কাৰ্যনিৰ্বাহক পাতিছে?

৩। তলৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : ৫×৪=২০

(ক) 'মালতী' কবিতাত প্ৰতিফলিত চিত্ৰকল্প

(খ) নল-দময়ন্তী

(গ) বাগানবাড়ী

(ঘ) 'মলক গুইন গুইন' গল্পৰ হাস্যৰস

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম-পত্ৰিকা বা সোঁৱৰণী

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ তেজপুৰৰ স্মৃতি

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'তত্ত্বকথা'

(জ) কৃপাবৰ বৰুৱা

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া চুটিগল্পলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(খ) "বাপিৰাম কাই! তুমি মোৰ বৰ ককাইতকৈও বৰ।" ভূধৰে লগুৱা বাপিৰামক এনেকৈ কোৱাৰ অন্তৰালৰ কাহিনী ব্যাখ্যা কৰা।

(গ) 'লাওখোলা' গল্পটোত নলিনী চৰিত্ৰটোৰ জৰিয়তে গল্পকাৰে সমাজত বৰ্তি থকা নাৰী-পুৰুষৰ বৈষম্যৰ ছবি এখন কেনেদৰে অঙ্কন কৰিছে, তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(ঘ) শ্ৰীকৃষ্ণই অৰ্জুনক ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা প্ৰধান মাৰ্গ কি কি বুলি উল্লেখ কৰিছে আৰু প্ৰতিটো মাৰ্গৰ বিশেষত্বসমূহ কেনেদৰে ব্যাখ্যা কৰিছে, বিতংকৈ লিখা।

(ঙ) ''ক্লৈব্য অৰ্থাৎ নপুংসকৰ দৰে কাতৰতা অৱলম্বন নকৰিবা। এনে ক্লৈব্য তোমাৰ যোগ্য নহয়। এতেকে হৃদয়ৰ তুচ্ছ দৌৰ্বল্য পৰিত্যাগ কৰি যুদ্ধ কৰিবলৈ উঠা।'' কোনে, কাক আৰু কি পৰিস্থিতিত এনেদৰে যুদ্ধ কৰিবলৈ প্ৰেৰিত কৰিছে, বহলাই লিখা।

(চ) কৃপাবৰ বৰুৱাই 'উইল'ৰ জৰিয়তে দেশীভাই অসমীয়া মানুহক কি কি সম্পত্তি দান কৰি গৈছে, বিতংকৈ আলোচনা কৰা।

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাত ৰোমাণ্টিক ভাবনা কেনেদৰে প্ৰকাশ পাইছে, 'মালতী' কবিতাৰ আধাৰত বিশ্লেষণ কৰা।

(জ) 'বীণ-ব'ৰাগী' (১ম তৰংগ) কবিতাটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঝ) 'মোৰ জীৱন সোঁৱৰণ'ত লক্ষ্মীনাথ বেজবৰুৱাই ৰবিনাথ মাজুদলৰ বৰুৱা সম্পৰ্কে লিখা কথাখিনি তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(ঞ) 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★